জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ২৩০/২০২২**

# অসমৰ স্বাস্থ্য খণ্ডত নতুন মাত্ৰা সংযোজনেৰে ৮৩ খন মৃত্যুঞ্জয় এম্বুলেঞ্চ সেৱাৰ ফ্লেগ অ'ফ মুখ্যমন্ত্ৰীৰ

## প্ৰসূতি আৰু নৱজাতকৰ মৃত্যুৰ হাৰ হ্ৰাসৰ বাবে নিৰন্তৰ প্ৰচেষ্টা অব্যাহত আছে ঃ মুখ্যমন্ত্ৰী

## ধুবুৰী চিকিৎসা মহাবিদ্যালয়ক নেচনেল মেডিকেল কাউন্সিলৰ স্বীকৃতি

## ৰাজ্যত স্বীকৃতিপ্ৰাপ্ত চিকিৎসা মহাবিদ্যালয়ৰ সংখ্যা ৯ খনলৈ বৃদ্ধি ঃ মুখ্যমন্ত্ৰী

## ‘সাৰ্বজনীন স্বাস্থ্য বীমা’ৰ লক্ষ্যৰে ‘আয়ুষ্মান ভাৰত’ৰ আওতাৰ বাহিৰত ৰৈ যোৱা সকলৰ বাবে ‘আয়ুষ্মান অসম’ৰ চিন্তা-চৰ্চা ঃ মুখ্যমন্ত্ৰী

## দুৰ্গা পূজাৰ আগেয়ে আৰম্ভ হ’ব ৫ খন চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণৰ কাম ঃ মুখ্যমন্ত্ৰী

## বানাক্ৰান্ত আৰু নৈপৰীয়া ৰাইজলৈ সূচল স্বাস্থ্য সেৱাৰ লক্ষ্যৰে অত্যাধুনিক নৌকা এম্বুলেঞ্চ প্ৰদানৰ পৰিকল্পনা ৰাজ্য চৰকাৰৰ

**দিছপুৰ, ১১ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমৰ স্বাস্থ্য খণ্ডত নতুনকৈ সংযোজিত হোৱা ১৫০ খন এম্বুলেঞ্চৰ ভিতৰত আজি ৮৩ খনৰ ফ্লেগ অফ কৰে। এই বেচিক লাইফ ছাপ’ৰ্ট ছাৰ্ফেচ এম্বুলেঞ্চসমূহৰ জৰিয়তে ৰাজ্যৰ স্বাস্থ্যসেৱা খণ্ডই এক নতুন মাত্ৰা লাভ কৰিলে।

এই উপলক্ষে আজি জনতা ভৱনৰ সভাকক্ষত অনুষ্ঠিত এক সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসমৰ গ্ৰাম্য এলেকা আৰু চহৰাঞ্চলত বাস কৰা ৰোগীসকলক বিনামূলীয়া জৰুৰীকালীন সেৱা প্ৰদান কৰাৰ লগতে ৰাজ্যত প্ৰসূতি আৰু নৱজাতকৰ মৃত্যুৰ হাৰ হ্ৰাস কৰাৰ ক্ষেত্ৰত চৰকাৰে নিৰন্তৰ প্ৰয়াস অব্যাহত ৰাখিছে। তেওঁ কয় যে ৰাজ্যত ২০০৮ চনৰ ৬ নৱেম্বৰৰ পৰা ১০৮ মৃত্যুঞ্জয় এম্বুলেঞ্চ সেৱা আনুষ্ঠানিকভাৱে আৰম্ভ হৈছিল যদিও গণেশগুৰিৰ বোমা বিস্ফোৰণৰ সময়তেই এই এম্বুলেঞ্চ সেৱাই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। এই সেৱাৰ জৰিয়তে বৰ্তমানলৈকে প্ৰায় দুই লাখ লোক নিশ্চিত মৃত্যুৰ পৰা ৰক্ষা পৰিছে। তদুপৰি অপাৰেটিং এজেন্সী জি ভি কেৰ জৰিয়তে কাৰ্যক্ষম হৈ থকা জৰুৰীকালীন

সেৱা কেন্দ্ৰৰ দ্বাৰা এতিয়ালৈকে প্ৰায় ৩ কোটি ৯১ লাখ ফোনক'ল গ্ৰহণ কৰাৰ লগতে প্ৰায় ১৯ লাখ গৰ্ভৱতী মহিলাই জৰুৰীকালীন সেৱা লাভ কৰিছে বুলি তেওঁ কয়। বৰ্তমান বেচিক লাইফ ছাপ'ৰ্ট ছাৰ্ফেচ এম্বুলেঞ্চ ৭৭৯ খন, এডভান্স লাইফ ছাপ'ৰ্ট ছাৰফেচ এম্বুলেঞ্চ ১৪ খন আৰু নৌকা এম্বুলেঞ্চ ৭ খনকে ধৰি মুঠ ৮০০ খন এম্বুলেঞ্চৰ জৰিয়তে জনসাধাৰণক স্বাস্থ্যসেৱা প্ৰদান কৰি অহা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। আৰম্ভণীৰে পৰা কেন্দ্ৰীয় চৰকাৰৰ সহযোগত এই সেৱা প্ৰৱৰ্তন কৰা হৈছিল যদিও বৰ্তমান ৰাজ্য চৰকাৰে স্ব-অগ্ৰাধিকাৰ পুঁজিৰ ব্যৱহাৰৰ জৰিয়তে নিজাববীয়াকৈ এই এম্বুলেঞ্চ সেৱা প্ৰদান কৰি আহিছে। জি ভি কেৰ পৰামৰ্শ অনুযায়ী সলনি কৰিবলগীয়া ৩০০ খন এম্বুলেঞ্চৰ ভিতৰত ইতিমধ্যে পুৰণি হোৱা ১৫০ খন এম্বুলেঞ্চক চিনাক্ত কৰি সেইসমূহক আঁতৰাই নতুনকৈ সংযোজন কৰা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বাকী সলনি কৰিবলগীয়া ১৫০ খন এম্বুলেঞ্চৰ কামো শীঘ্ৰে সমাপন কৰা হ'ব।

ৰাজ্য চৰকাৰৰ নিয়ম অনুযায়ী ১৫ বছৰ অতিক্ৰম কৰা যান-বাহনসমূহ আঁতৰাই নিলাম অথবা স্ক্ৰেপলৈ পৰিৱৰ্তন কৰিব লাগে যদিও ম্যাদ উকলা পুৰণি এম্বুলেঞ্চসমূহ স্বেচ্ছাসেৱী সংস্থা নাইবা সামাজিক সংস্থাক শৱদেহ কঢ়িওৱা বাহন অথবা বিনামূলীয়া সামাজিক কাম-কাজৰ বাবে বিনামূলীয়াকৈ প্ৰদান কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে সভাত স্বাস্থ্য বিভাগক পৰামৰ্শ আগবঢ়ায়। জীৱ-জন্তুৰ স্বাস্থ্য যত্ন নাইবা মানুহৰ যিকোনো স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত সুবিধা হ'ব পৰাকৈ ম্যাদ উকলা এই বাহনসমূহ মেৰামতি কৰি মানৱীয় দৃষ্টিভংগীৰে যথোচিত ব্যৱহাৰ কৰাৰ বাবে স্বেচ্ছাসেৱী সংস্থা নাইবা সামাজিক সংস্থাক প্ৰদানৰ ক্ষেত্ৰত দীৰ্ঘদিন পূৰ্বে পৰিকল্পনা পুঁহি ৰাখিছিল বুলি মুখ্যমন্ত্ৰীয়ে সভাত সদৰী কৰে।

বানপানীৰ সময়ছোৱাত জনসাধাৰণক চিকিৎসা সেৱা প্ৰদান কৰাৰ লগতে নৈপৰীয়া ৰাইজৰ সুচল স্বাস্থ্যসেৱা প্ৰদানৰ লক্ষ্য আগত লৈ ক'চিন চিপয়াৰ্ডৰ পৰা অত্যাধুনিক নৌকা এম্বুলেঞ্চ ক্ৰয় কৰাৰ বাবে ৰাজ্য চৰকাৰে প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি মুখ্যমন্ত্ৰীয়ে সভাত ব্যক্ত কৰে। ইয়াৰ দ্বাৰা ব্ৰহ্মপুত্ৰৰ দাঁতিকাষৰীয়া এলেকাসমূহৰ ৰাইজে এই নৌকা এম্বুলেঞ্চসমূহৰ জৰিয়তে স্বাস্থ্যসেৱা প্ৰদান কৰাৰ লগতে অস্ত্ৰোপচাৰৰ সুবিধাও লাভ কৰিবলৈ সক্ষম হ'ব বুলি তেওঁ কয়।

ক'ভিড মহামাৰীৰ পিছত ৰাজ্যৰ সাধাৰণ চিকিৎসা সেৱাক পুনৰ স্বাভাৱিক পৰ্যায়লৈ ঘূৰাই অনা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ সকলো এফ আৰ ইউত অস্ত্ৰোপচাৰ শাখা ৰখাৰ বাবে প্ৰচেষ্টা গ্ৰহণ কৰা হৈছে। তদুপৰি, প্ৰতিখন জিলা হাস্পতালত নৈশ অস্ত্ৰোপচাৰৰ ব্যৱস্থা কৰি প্ৰসূতি আৰু নৱজাতকৰ মৃত্যুৰ হাৰ কমাব পৰা যাব বুলি তেওঁ উল্লেখ কৰে। চিকিৎসা সেৱাত গুণগত মানদণ্ড বৃদ্ধি কৰি প্ৰসূতি আৰু নৱজাতকৰ মৃত্যুৰ হাৰ হ্ৰাস কৰাৰ বাবে ৰাজ্য চৰকাৰে নিৰন্তৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি তেওঁ কয়।

দুদিন পূৰ্বে নেচনেল মেডিকেল কাউন্সিলে ধুবুৰী মেডিকেল কলেজক স্বীকৃতি প্ৰদান কৰিছে বুলি উল্লেখ কৰি ইয়াৰ দ্বাৰা ৰাজ্যত স্বীকৃতিপ্ৰাপ্ত চিকিৎসা মহাবিদ্যালয়ৰ সংখ্যা ৯ খনলৈ বৃদ্ধি পোৱা বুলি মুখ্যমন্ত্ৰীয়ে সভাত উল্লেখ কৰে। তেওঁ কয় যে ডিফু আৰু ধুবুৰীৰ দৰে অসমৰ অন্যান্য জিলাৰ তুলনাত পিছপৰা জিলাসমূহতো চিকিৎসা মহাবিদ্যালয় স্থাপন হৈছে। কালাপাহাৰ আৰু এম এম চিক সংলগ্ন কৰি গুৱাহাটীত দ্বিতীয়খন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ কাম অব্যাহত আছে। সমান্তৰালভাৱে নগাঁও আৰু

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

তিনিচুকীয়াতো চিকিৎসা মহাবিদ্যালয় স্থাপনৰ কাম হাতত লোৱা হ'ব। ২০২৬ চনত চৰাইদেউ আৰু বিশ্বনাথত চিকিৎসা মহাবিদ্যালয় আৰম্ভ কৰা হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অহা দুৰ্গা পূজাৰ আগেয়ে তামুলপুৰ, গোলাঘাট, বঙাইগাঁও, মৰিগাঁও আৰু ধেমাজিৰ চিকিৎসা মহাবিদ্যালয় কেইখনৰ নিৰ্মাণৰ কাম আৰম্ভ কৰা হ'ব আৰু ইয়াৰ বাবে ইতিমধ্যে নিবিদা সম্পূৰ্ণ কৰা হৈছে। গোৱালপাৰা আৰু কৰিমগঞ্জৰ ৰাতাবাৰীতো দুখন চিকিৎসা মহাবিদ্যালয় স্থাপনৰ পৰিকল্পনা গ্ৰহণ কৰা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে স্বাস্থ্যসন্মত সুস্থ জীৱনধাৰা আৰু সকলো বয়সৰ লোকে যাতে প্ৰয়োজনীয় স্বাস্থ্য সেৱা লাভ কৰিব পাৰে, সেই লক্ষ্য আগত লৈ নিৰন্তৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে।

'আয়ুষ্মান ভাৰত'ৰ আওঁতাৰ বাহিত ৰৈ যোৱা সকলৰ বাবে 'আয়ুষ্মান অসম' ৰ জৰিয়তে 'সাৰ্বজনীন স্বাস্থ্য বীমা'ৰ কথা চিন্তা-চৰ্চা কৰা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ইয়াৰ দ্বাৰা জ্যেষ্ঠ নাগৰিক, সাংবাদিক তথা ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিৰ ৰেচন কাৰ্ড নথকা লোক আদিক সামৰি ল'ব পৰা যাব। তেওঁ কয় যে ছয়টা জটিল ৰোগৰ বাবে অটল অমৃত অভিযান থকাৰ লগতে ২৭ লাখ দৰিদ্ৰ লোকলৈ প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ ব্যৱস্থা আছে। তদুপৰি, অসমৰ ৬০ লাখ পৰিয়ালৰ ৰেচন কাৰ্ড আৰু ২৭ লাখৰ অৰুণোদয় আঁচনিৰ কাৰ্ড আছে। 'আয়ুষ্মান ভাৰত'ৰ পৰা বাকী ৰৈ যোৱা এইসকল লোকক 'আয়ুষ্মান অসম'ৰ জৰিয়তে উপকৃত কৰিব পৰা যাব বুলি তেওঁ কয়।

সভাত উপস্থিত থাকি অসম চৰকাৰৰ স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্তই ভাষণ প্ৰসংগত কয় যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দূৰদৃষ্টি সম্পন্ন পদক্ষেপৰ বাবেই ২০০৮ চনত তেখেত স্বাস্থ্যমন্ত্ৰী হৈ থকাৰ কালত এই ১০৮ মৃত্যুঞ্জয় সেৱা অসমত আৰম্ভ হৈছিল। অসম চৰকাৰৰ স্বাস্থ্য বিভাগৰ প্ৰধান সচিব অবিনাশ যোশীয়েও সভাত বক্তব্য আগবঢ়ায়।

ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ মিছন সঞ্চালক ডাঃ এম এছ লক্ষ্মীপ্ৰিয়াই আদৰণি ভাষণ আগবঢ়োৱা আজিৰ এই সভাত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ কাৰ্যবাহী সঞ্চালক তথা অতিৰিক্ত স্বাস্থ্য শিক্ষা সঞ্চালক ডাঃ মনোজ চৌধুৰীয়ে শলাগৰ শৰাই আগবঢ়ায়। সভাত জি ভি কে- ই এম আৰ আইৰ উপাধ্যক্ষ সঞ্জয় ঝা, টাটা মটৰচৰ প্ৰতিনিধি সঞ্জীৱ নাৰায়ণ প্ৰমুখ্যে বহু গণ্য-মান্য লোক উপস্থিত থাকে।

**হেঃশঃ**
**১১/০৮/২০২২**